# দৈনিক জনমভূমি

তিনিচুকীয়া, দ্বাবিংশতিতম বছৰ, সংখ্যা ১৯১ ● দেওবাৰ ● ৭ চ'ত ● ১৯৪৭ শক ● DAINIK JANAMBHUMI ● Tinsukia ● Sunday ●


## কানৈ মহাবিদ্যালয়ত ইউনেস্ক'ৰ 'মিছন ন'লেজ কাৰ্যসূচী'ৰ অধীনত 'সাংস্কৃতিক বিনিময় কাৰ্যসূচী'

ডিব্ৰুগড ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ২১ মাৰ্চ ঃ 'নিজক পৰিষ্কাৰ কৰিব পাৰিলেই পৃথিৱীখন পৰিষ্কাৰ হৈ থাকিব। আমি সদায় নিজক চাব লাগিব, আমাৰ দৃষ্টিভংগীৰ ওপৰতহে পৃথিৱীখন পৰিচালিত হ'ব।'— ইউনেস্ক' এছ'চিয়েশ্যন, গুৱাহাটীৰ সমন্বয়ক ড° অশোক কুমাৰ লস্কৰে এইদৰে কয়। উল্লেখ্য যে কানৈ মহাবিদ্যালয়ত ১৯ মাৰ্চৰ সন্ধিয়া ইউনেস্ক'ৰ মিছন ন'লেজ কাৰ্যসূচীৰ অধীনত উপস্থিত হোৱা এটা দলক আদৰণি জনোৱা হয়। ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ দৰ্শন আৰু ৰাজিনীতি বিজ্ঞান বিভাগ আৰু ৰুক্মিণী দেৱী কানৈ ছাত্ৰী নিৱাসৰ যৌথ সহযোগত অনুষ্ঠিত 'সাংস্কৃতিক বিনিময় কাৰ্যসূচী'ত মুখ্য দ্বাৰৰ পৰা ধূপ-ধুনাৰে আৰতি কৰি আদৰণি জনাই অনা অনুষ্ঠানটোত ড° লস্কৰে কয়— কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াৰ নেতৃত্বত মহাবিদ্যালয়খনত যি সুন্দৰ আৰু সুদৃঢ় শৈক্ষিক পৰিৱেশ সৃষ্টি হৈছে, তাক ভূয়সী প্ৰশংসা কৰি কয়— শিক্ষানুষ্ঠানক শিক্ষাৰ মন্দিৰ বুলি কোৱাৰ যি যোগ্যতা, সেই যোগ্যতা কানৈ মহাবিদ্যালয়ে ইতিমধ্যে সমগ্ৰ বিশ্বত লাভ কৰিছে। তেওঁ কয়— কোনোবাই যদি কিবা এটা বস্তু বেয়া বুলি ভাবি লয়, তেতিয়া তেওঁক হাজাৰ পৰিষ্কাৰ চশমা পিন্ধাই দিলেও তাক ভাল বুলি চাব নোৱাৰে। মনত এবাৰ বেয়া বুলি সোমাই পৰা ধৰণাটো



কেতিয়াও ভাল হ'ব নোৱাৰে। ড° লস্কৰে কয়— চৌপাশৰ পৰিৱেশ আমি যিধৰণে গঢ়ি তুলিম, ফলাফল সেই ধৰণেই লাভ কৰিম বুলি মত প্ৰকাশ কৰি কয়— ভাল ফুল য'তেই নাথাকক তাৰ সুৱাস সকলোতে বিয়পি থাকে। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব মণ্ডলৰ পেনেলিষ্ট আৰু খণ্ড ১-ৰ সমন্বয়ক ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ দি সাহিত্য-সংস্কৃতি আৰু শিক্ষা— এই তিনিওটাই হৈছে ইউনেস্ক'ৰ মূল ভেটি বুলি উল্লেখ কৰি কয়— কানৈ মহাবিদ্যালয়ে এই তিনিওটা খুব সুন্দৰকৈ বৰ্তাই ৰাখিবলৈ চেষ্টা কৰি আহিছে। তেওঁ কয়— ৰাষ্ট্ৰসংঘ, ইউনেস্ক'ই সমগ্ৰ বিশ্বত এখন জ্ঞানৰ সমাজ, মানুহৰ সমাজ গঢ়ি তুলিবলৈ চেষ্টা কৰি আহিছে আৰু ইয়াৰ অংশ হিচাপে 'মিছন ন'লেজ প্ৰগ্ৰেম' অনুষ্ঠিত কৰি আহিছে। তেওঁ কয়— জ্ঞান কেৱল শক্তি নহয়, জ্ঞান হ'ল মুক্তিৰ পথ। ইউনেস্ক'ই সমগ্ৰ বিশ্বত সোঁৱৰাই আহিছে যে এখন প্ৰগতিশীল সমাজ গঢ়িবলৈ হ'লে তথ্যৰ পৰা জ্ঞানলৈ আৰু জ্ঞানৰ পৰা প্ৰজ্ঞালৈ উত্তৰণ ঘটিব লাগিব। তেওঁ কয়— তথ্য প্ৰযুক্তিৰ ব্যৱহাৰ কৰি এখন সঠিক জ্ঞানৰ সমাজ গঢ়ি তুলিব নোৱাৰিলে, কেতিয়াও সাংস্কৃতিক, ভাষিক বৈচিত্ৰ্য সুৰক্ষা দিব নোৱাৰি। ছাত্ৰী নিভা লাহন আৰু চয়নিকা বুঢ়াগোহাঁয়ে আঁত ধৰা অনুষ্ঠানটোত ইউনেস্ক' এছ'চিয়েশ্যন, গুৱাহাটীৰ সঞ্চালক প্ৰধান ড° অশ্বিনী শৰ্মা, ইউনেস্ক' এছ'চিয়েশ্যন, গুৱাহাটীৰ আজীৱন সদস্য অজিত শইকীয়া আদি বহু ব্যক্তি অনুষ্ঠানটোত উপস্থিত থাকে।ছাত্ৰ-ছাত্ৰীৰ জ্ঞান বিস্তাৰ, শিক্ষাৰ মান উন্নত কৰা আৰু সংস্কৃতি আৰু ঐতিহ্যৰ বিষয়ে সজাগতা বৃদ্ধি কৰিবৰ বাবে অনুষ্ঠিত এই 'সাংস্কৃতিক বিনিময় কাৰ্যসূচী'ত মহাবিদ্যালয়ৰ ছাত্ৰী সংস্কৃতা শইকীয়া, অংকিতা ডেকা, তনুশ্ৰী চেতিয়াৰ নৃত্য পৰিৱেশন, নিকুমণি খাকলাৰী, পূজা বুঢ়াগোহাঁইৰ কবিতা আবৃত্তিয়ে অনুষ্ঠানটো অধিক মননশীল কৰি তোলে। অনুষ্ঠানটোৰ লগত সংগতি ৰাখি বিভিন্ন মহাবিদ্যালয়ৰ পৰা অহা অধ্যাপক-অধ্যাপিকাসকলৰ লগত ছাত্ৰ-ছাত্ৰীসকলে এক প্ৰশ্নোত্তৰ কাৰ্যসূচীতো অংশগ্ৰহণ কৰে।